**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। বিকাশৰ ১২ দিনৰ কাৰ্যসূচী ৰূপায়ণৰ অধীনত আজি গোলাঘাটসহ ১০খন জিলাত বিস্তৃত কাৰ্যসূচী। গোলাঘাটৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ।

২। ৰাজ্যিক নিৰ্বাচন আয়োগৰ সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ২৭ জিলাক সামৰি খচৰা ভোটাৰ তালিকা প্ৰকাশ।

৩। ২০১৪ চনৰ পৰা দেশৰ আভ্যন্তৰীন জলপথৰ সংখ্যা ৫ৰ পৰা ১১১লৈ বৃদ্ধি পোৱাৰ কথা ঘোষণা কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ।

*আৰু*

৪। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ব্ৰিছবেনত অনুষ্ঠিত।

০০০০০০০

বিকাশৰ ১২ দিনৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাটৰ সমন্বয় ক্ষেত্ৰত গোলাঘাট জিলাৰ হিতাধিকাৰীসকলৰ মাজত অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনিৰ তৃতীয় পৰ্যায়ৰ সাহায্য বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। বান সাহায্য বিতৰণ, বীজ সাহায্য বিতৰণ আৰু প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধন উদ্যোগৰ আনুষ্ঠানিকীকৰণ প্ৰক্ৰিয়া মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰিব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী শৰ্মাৰ লগতে কৃষি মন্ত্ৰী অতুল বৰা, বিত্ত মন্ত্ৰী অজন্তা নেওগ আৰু গোলাঘাট জিলাৰ বিধায়কসকল উপস্থিত থাকিব। এই অনুষ্ঠানৰ পাছতে মুখ্যমন্ত্ৰী শৰ্মাই গোলাঘাটত নিৰ্মিয়মান চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল লগতে জিলা আয়ুক্ত কাৰ্যালয়ও পৰিদৰ্শন কৰিব। বিকাশৰ ১২ দিনৰ কাৰ্যসূচীৰ অধীনত গোলাঘাটত অসম মাইক্ৰ'ফাইনেন্স উদগনি আৰু সকাহ আঁচনি ২০২১ৰ অধীনত তৃতীয়বৰ্গৰ ঋণীলৈ দ্বিতীয় পৰ্যায়ত ঋণ মাফ কৰি দিয়া প্ৰমাণপত্ৰ বিতৰণ কৰা হ'ব। এই আঁচনিৰ অধীনত জিলাখনৰ ৫ হাজাৰ ১১৯ গৰাকী ঋণী উপকৃত হ'ব। আনহাতে প্ৰধানমন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধন উদ্যোগৰ আনুষ্ঠানিকীকৰণ আঁচনিৰ অধীনত ১৮৯ গৰাকী হিতাধিকাৰীয়ে মূলধনী বিনিয়োগৰ ওপৰত ৰাজ সাহায্য লাভ কৰিব। জিলাখনত দুহেজাৰ ৯১ গৰাকী হিতাধিকাৰীক দুৰ্যোগ ক্ষতিগ্ৰস্ত পৰিয়ালৰ আঁচনিৰ অধীনত সাহায্য প্ৰদান কৰা হ'ব।

সমান্তৰালভাৱে বজালী, বাক্সা, কাছাৰজিলা, ডিমা হাচাও জিলা, কোকৰাঝাৰ জিলা, তামুলপুৰ জিলা, তিনিচুকীয়া, মৰিগাঁও আৰু হাইলাকান্দিতো বিকাশৰ ১২ দিনীয়া কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। বজালী জিলাত

আয়োজিত অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, বাক্সা জিলাত মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, শিলচৰত মন্ত্ৰী কৃযেন্দু পাল, কোকৰাঝাৰত বি টি চিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, তামুলপুৰত জয়ন্ত মল্লবৰুৱা, মৰিগাঁৱত কেশৱ মহন্ত, হাইলাকান্দিত মন্ত্ৰী কৌশিক ৰায়ে এই অনুষ্ঠানৰ মুখ্য অতিথি হিচাপে অংশগ্ৰণ কৰিব।

০০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰিছে। ষষ্ঠ অনুসূচীভুক্ত আৰু পৌৰ সভা এলেকাক বাদ দি ৰাজ্যৰ ২৭খন জিলা সামৰি খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগে প্ৰকাশ কৰা খচৰা ভোটৰ তালিকাত এক কোটি ৭৫ লাখ ৫৪ হাজাৰ ৫৮৯ জন ভোটাৰ অন্তভুক্ত হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগে ৩৯৭ খন জিলা পৰিষদ, ১৮১ খন আঞ্চলিক পঞ্চায়ত, দুহেজাৰ ১৯৩ খন গাঁও পঞ্চায়ত আৰু ২১ হাজাৰ ৩৩০টা ৱাৰ্ড সামৰি এইবাৰৰ পঞ্চায়তৰ ভোটৰ তালিকাৰ খচৰা প্ৰকাশ কৰিছে। এইবাৰ পঞ্চায়ত নিৰ্বাচন দুহেজাৰ ৭৮১ টা ভোটকেন্দ্ৰত অনুষ্ঠিত হ'ব। আয়োগে প্ৰকাশ কৰা খচৰা ভোটাৰ তালিকা সন্দৰ্ভত কোনো ওজৰ-আপত্তি থাকিলে, সেইসমূহ ২১ ডিচেম্বৰৰ ভিতৰত নিষ্পত্তি কৰা হ'ব।

০০০০০০০

আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বাবে তিনিচুকীয়া জিলাৰ পঞ্চায়ত সমষ্টিসমূহৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। ২২টা জিলা পৰিষদ সমষ্টিৰ অধীনৰ ৭টা আঞ্চলিক পঞ্চায়ত আৰু ৮৬খন গাঁও পঞ্চায়ত সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা হৈছে ৮লাখ ২৮ হাজাৰ ৩২৫। ইয়াৰে ৪লাখ ৬হাজাৰ ৭৮৭জন পুৰুষ আৰু ৪লাখ ২১হাজাৰ ৫০৭গৰাকী মহিলা। কোনো লোকে ভোটাৰ তালিকাৰ সন্দৰ্ভত কিবা দাবী বা আপত্তি দাখিল কৰিব বিচাৰিলে আজিৰ পৰা ২১ ডিচেম্বৰৰ ভিতৰত সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়া বা জিলা আয়ুক্ত কাৰ্যালয়ত অথবা অনলাইন যোগে দাখিল কৰিব পাৰিব বুলি জিলা আয়ুক্তই সদৰি কৰিছে। প্ৰকাশিত খচৰা তালিকা গাঁও পঞ্চায়ত কাৰ্যালয়, খণ্ড উন্নয়ন কাৰ্যালয়, জিলা পৰিষদ আৰু জিলা আয়ুক্ত কাৰ্যালয়ত বা জিলা প্ৰশাসনৰ ৱেব চাইটত চাব পাৰিব। এইবাৰৰ নিৰ্বাচন ৯৫৮ টা কেন্দ্ৰত অনুষ্ঠিত হ'ব। গাঁও পঞ্চায়ত ৱাৰ্ডৰ সংখ্যা হৈছে ৮৬০।

ইফালে, ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত আজি তিনিচুকীয়াৰ বৰগুৰিস্থিত ল'ৰাৰ আই আই টি খেলপথাৰত মেধা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আনুষ্ঠানিকভাৱে চাইকেল বিতৰণ কৰা হ'ব। অনুষ্ঠানত মুখ্য অতিথি হিচাপে ৰাজ্যৰ শ্ৰম আৰু চাহ শ্ৰমিক কল্যাণ তথা গৃহ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা উপস্থিত থাকিব।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সংসদৰ চলিত শীতকালীন অধিৰেশনত ২০১৪ চনৰ পৰা দেশৰ আভ্যন্তৰীন জলপথ খণ্ড পুৰন উজ্জীৱীতকৰণৰ ক্ষেত্ৰত হোৱা অগ্ৰগতিৰ সবিশেষ প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰে আভ্যন্তৰীণ জলপথক মালবাহী তথা যাত্ৰী চলাচলৰ অনুকূল আৰু বিকল্প পথ হিচাপে গঢ়ি তুলিবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে। এই লক্ষ্যৰে কেন্দ্ৰই ছহেজাৰ কোটি টকাৰো অধিক পুঁজি ব্যয় কৰিছে। মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সংসদত জলপথ সন্দৰ্ভত এটা প্ৰশ্নৰ উত্তৰত কয়, যে ২০১৪ চনলৈকে দেশত মাত্ৰ ৫টাহে ৰাষ্ট্ৰীয় জলপথ আছিল। মোদী চৰকাৰৰ আমোলত দেশত ৰাষ্ট্ৰীয় জলপথৰ সংখ্যা ১১১ লৈ বৃদ্ধি

পাইছে। সোণোৱালে লগতে জানিবলৈ দিয়ে যে ভাৰতত আভ্যন্তৰীণ জলপথৰ ব্যাপক সম্ভাৱনা আছে আৰু ৰাষ্ট্ৰীয় জলপথসমূহ দেশৰ জীৱনৰেখা হ'বলৈ গৈ আছে।

০০০০০০০

ৰাজ্য চৰকাৰৰ ৰাজনৈতিক বিভাগে এখন জাননীৰ জৰিয়তে কেবিনেটৰ বৈঠকত মন্ত্ৰীসকলৰ ম'বাইল ফোনৰ ব্যৱহাৰ নিষিদ্ধ কৰিছে। আনকি কেবিনেট বৈঠকত অংশগ্ৰহণ কৰিবলগীয়া বিভাগীয় সচিবকে ধৰি অন্যান্য বিষয়াসকলেও ম'বাইল লৈ প্ৰৱেশ কৰাত বাধা আৰোপ কৰা হৈছে। উল্লেখযোগ্য যে ৭ ডিচেম্বৰত অনুষ্ঠিত কেবিনেটৰ বৈঠকতে ম'বাইল ফোন নিষিদ্ধকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। মন্ত্ৰী-বিষয়াসকলে কেবিনেট বৈঠকত অংশগ্ৰহণ কৰাৰ পূৰ্বে তেওঁলোকৰ ম'বাইল ফোনসমূহ বাহিৰত থৈ আহিবলৈ নিৰ্দেশ দিয়া হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও ২০১৬ চনৰ পৰাই কেবিনেট মন্ত্ৰীসকলক বৈঠকত বহাৰ পূৰ্বে ম'বাইলসমূহ বাহিৰত ৰখাৰ ব্যৱস্থা কৰি আহিছে। কেবিনেটৰ গুৰুত্বপূৰ্ণ তথ্য বাহিৰলৈ যাতে নাযায় সেইটো নিশ্চিত কৰিবলৈ এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

০০০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশ মৰ্মে ৰাজ্যখনৰ অনান্য জিলাসমূহৰ লগতে মাজুলীতো মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত আজি ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। এই লোক আদালতত বিভিন্ন আপোচযোগ্য ফৌজদাৰী গোচৰ, বিবাহজনিত গোচৰ, চেক বাউঞ্চৰ গোচৰ, যানবাহন ১৯৮৮ আইনৰ অধীনত নিষ্পত্তিৰ দিহা কৰা হৈছে। ইয়াৰোপৰি বিভিন্ন বেংক ঋণ আদায়, বিজুলী বিল আদায়, বি এছ এন এলৰ ফোন বিল আদায় আদি সন্দৰ্ভত মোকৰ্দমা গোচৰসমূহৰ মীমাংসাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে মাজুলী জিলা মুখ্য ন্যায়িক দণ্ডাধীশ আৰু মহকুমা ন্যায়িক দণ্ডাধীশৰ তৰফৰ পৰা আদালতত চলি থকা গোচৰসমূহৰ বাদী-বিবাদী সকলোলৈকে জাননী প্ৰেৰণ কৰা হৈছে।

বৰপেটা জিলাতো আজি ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। বিচাৰাধীন গোচৰসমূহ ক্ষীপ্ৰতাৰে নিষ্পত্তি আৰু বিবাদ সমাধানৰ ব্যৱস্থা কৰাটোৱে এই আদালৰ মূল লক্ষ্য। এই ৰাষ্ট্ৰীয় লোক আদালত বৰপেটা জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত চৌহদ, বৰপেটা পাৰিবাৰিক আদালত চৌহদ, মটৰ দুৰ্ঘটনা দাবী নিষ্পত্তি ন্যায়াধীকৰণ, বৰপেটা আৰু বৰপেটা দণ্ডাধীশৰ অধীনত সমূহ আদালত আৰু কাৰ্যালয় চৌহদত অনুষ্ঠিত হ'ব।

০০০০০০০

ৰাজ্যিক কেবিনেটৰ বৈঠকত এতিয়াৰে পৰা ম'বাইলৈ মন্ত্ৰীসকলে অংশগ্ৰহণ কৰিব নোৱাৰিব। মন্ত্ৰীৰ লগতে কেবিনেট বৈঠকত অংশগ্ৰহণ কৰিবলগীয়া বিভাগীয় সচিবকে ধৰি অন্যান্য উচ্চ পদস্থ বিষয়াসকলেও হাতত ম'বাইল লৈ কেবিনেট বৈঠকত প্ৰৱেশ কৰিব নোৱাৰিব। এই সম্পৰ্কে আমাৰ অসম কাকতে বিস্তৃতভাৱে প্ৰকাশ কৰিছে।

সততে ভাৰতৰ বন্ধু বুলি বিভিন্ন মহলত চৰ্চিত ড'নাল্ড ট্ৰাম্পে অহা বছৰৰ ২০ জানুৱাৰীত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিৰূপে কাৰ্যভাৰ গ্ৰহণৰ লগে লগে প্ৰায় ১৮ হাজাৰ ভাৰতীয়ক দেশখনৰ পৰা বিতাৰণ কৰাৰ আশংকা হৈছে। এই সম্পৰ্কে দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰীৰ যোৰহাটত বিকাশৰ ১২ দিনত একাধিক আঁচনিৰ শুভাৰম্ভ। নিৰ্মিয়মান ৰে'ল উৰণ সেঁতুৰ কামৰ বিষয়েও পৰ্যালোচনা। এই বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ পৰা অবৈধভাৱে নাগৰিক প্ৰৱেশৰ হাৰ বৃদ্ধি হোৱা বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সদৰি কৰে। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দেশৰ সংবিধানৰ ৭৫ বছৰ পূৰ্তি উপলক্ষে লোকসভাত দুদিনীয়া বিতৰ্ক আৰম্ভ। সদনত শাসক-বিৰোধীৰ তীব্ৰ বাকযুদ্ধ। এই বাতৰিটোক অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমে আন ৰাজ্যৰ বাবে উন্নয়নৰ আৰ্হি হিচাপে আত্মপ্ৰকাশ কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যটো দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

উত্তৰ পূৰ্বাঞ্চলৰ যোগাযোগ ব্যৱস্থা বৃদ্ধিৰ বাবে কেন্দ্ৰই ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে সদৰি কৰে। এই বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ কেইটামান বাতৰি।

**শেষ ঃ** এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০০

ডিব্ৰুগড়ৰ নিৰ্মালী গাঁও ৰাজহুৱা খেলপথাৰত কালিৰেপৰা ষষ্ঠ ডিব্ৰুগড় গ্ৰন্থ মহোৎসৱ অনুষ্ঠিত হৈছে। অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্য্য কান্ত হাজৰিকাই কালি বিয়লি এই গ্ৰন্থ মেলা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। শক্তি আৰু দক্ষতা বিকাশ মন্ত্ৰী প্ৰশান্ত ফুকনো উপস্থিত থকা এই উদ্বোধনী অনুষ্ঠানত বিশিষ্ট ভাষাবিদ ড০ভীমকান্ত বৰুৱা, যশস্বী কবি সাহিত্যিক ড০ কৰবী ডেকা হাজৰিকাইও অংশগ্ৰহণ কৰি গ্ৰন্থ আন্দোলনৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। গ্ৰন্থ মহোৎসৱ উপলক্ষে প্ৰকাশিত স্মৃতি গ্ৰন্থ উন্মোচন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ চন্দন শৰ্মাই। এই গ্ৰন্থ মেলাত ৰাজ্যখনৰ লগতে ৰাজ্যৰ বাহিৰৰো প্ৰায় ৯০ খন প্ৰকাশক আৰু গ্ৰন্থ বিপণীয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০০

চিৰাং জিলাৰ সদৰ কাজল গাঁৱত থকা জে এছ বি অসামৰিক চিকিৎসালয়ত শুকুৰবাৰে এগৰাকী প্ৰসূতিৰ মৃত্যু হোৱা ঘটনাক কেন্দ্ৰ কৰি চিকিৎসালয়খনত হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি হয়। চিজাৰিয়ান পদ্ধতিত এগৰাকী কন্যা সন্তান জন্ম দিয়াৰ পাছতে প্ৰসূতি মহিলাগৰাকীৰ মৃত্যু হয়। মৃত মহিলাগৰাকীৰ পৰিয়ালৰ লোকৰ অভিযোগ যে জে এছ বি অসামৰিক চিকিৎসালয়ৰ প্ৰসূতি বিশেষজ্ঞগৰাকীৰ ভুল চিকিৎসাৰ বাবে মহিলাগৰাকীৰ মৃত্যু হৈছে। মৃত মহিলাগৰাকীৰ ঘৰ চিৰাং জিলাৰ বিজনীৰ বৰলেছিয়া গাঁৱত। মহিলাগৰাকীৰ মৃত্যু সন্দৰ্ভত প্ৰয়োজনীয় তদন্ত কৰা হ'ব বুলি চিৰাং জিলা স্বাস্থ্য সেৱা বিভাগৰ যুটীয়া সঞ্চালক ডাঃ ৰেজাউল কৰিমে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। আমাৰ চিৰাং জিলাৰ সংবাদদাতাই জনোৱা মতে, চিকিৎসালয়খনত স্বাভাৱিক পৰিৱেশ ঘূৰাই অনাৰ বাবে আৰক্ষীৰ লোক উপস্থিত হৈ ইতিমধ্যে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ **দৃষ্টিপাত** অনুষ্ঠানত শ্ৰোতাসকলৰ বাতৰি সম্পৰ্কীয় মতামত, অভিযোগ আৰু পৰামৰ্শ বিষয়ক এটি অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটিত Whatsapp নম্বৰ ৯৮৬৪০-৫৫৫৬৬ যোগে লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ লগতে অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত দিয়া অভিমত, প্ৰশ্ন আৰু উত্তৰ আদি প্ৰচাৰ কৰা হ'ব।

ooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-781003 লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

ooooooo

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলৰ প্ৰথম দিনা ঘৰুৱা দল অষ্ট্ৰেলিয়াই নিজৰ প্ৰথম ইনিংছত এই বাতৰি যুগুতোৱা পৰলৈকে ১৩ অভাৰত ২টা বলত ২৮ ৰান সংগ্ৰহ কৰিছে। ব্ৰিছবেনত অনুষ্ঠিত খেলখনত ভাৰতে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। খেলখনৰ বাবে ভাৰতীয় দলত ৰবিচন্দ্ৰন অশ্বিন আৰু হৰ্ষিত ৰাণাৰ ঠাইত ৰবীন্দ্ৰ জাদেজা আৰু আকাশদ্বীপক অন্তৰ্ভুক্ত কৰা হৈছে। অষ্ট্ৰেলিয়া দলটোত স্কট ব'লেণ্ডৰ ঠাইত জ'শ্ব হেজেলউদক অন্তৰ্ভুক্ত কৰা হৈছে। পাঁচখনীয়া খেলৰ এই শৃংখলাত দুয়োটা দলে বৰ্তমানলৈ ১-১ত সমতা স্থাপন কৰি আছে। ভাৰতে শৃংখলাৰ প্ৰথমখন খেলত ২৯৫ ৰাণত জয়লাভ কৰিছে। একেদৰে, অষ্ট্ৰেলিয়াই দ্বিতীয়খন খেলত ১০ উইকেটত জয়লাভ কৰিছে। শেহতীয়া খবৰ মতে বৰষুণৰ বাবে খেল বিঘ্নিত হৈছে।

ooooooo

বতৰৰ বতৰা - বতৰৰ আগলি বতৰা অনুসৰি গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ অহা ২৪ ঘণ্টাৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব। ৰাজ্যত পুৱা আৰু নিশাৰ ভাগত কুঁৱলী পৰাৰ সম্ভাৱনা আছে। কালি গুৱাহাটীত সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৫দশমিক ৫ ডিগ্ৰী চেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১২.১ ডিগ্ৰী চেলছিয়াছ। আজিৰ দিনটোত গুৱাহাটীৰ সৰ্বোচ্চ আৰু সৰ্বনিম্ন তাপমাত্ৰা ক্ৰমে ২৫ আৰু ১৩ ডিগ্ৰী চেলছিয়াছ হ'ব বুলি অনুমান কৰা হৈছে। উত্তৰপূৰ্বাঞ্চলৰ ভিতৰত কালি ইম্ফলত সৰ্বনিম্ন তাপমাত্ৰা ৬ দশমিক ১ ডিগ্ৰী চেলচিয়াছ ৰেকৰ্ড কৰা হয়। কহিমাৰ সৰ্বনিম্ন তাপমাত্ৰা ৬ দশমিক ২ ডিগ্ৰী, উত্তৰ লখিমপুৰৰ সৰ্বনিম্ন তাপমাত্ৰা ৬ দশমিক ৪ ডিগ্ৰী আৰু শ্বিলঙৰ সৰ্বনিম্ন তাপমাত্ৰা ৬.৫ ডিগ্ৰী চেলচিয়াছ ৰেকৰ্ড কৰা হয়।

ooooooo

**সমাপ্ত**